**নং ঃ ৮৬৫/২০২০**

চিন্ময়া মিশ্যন গুৱাহাটীৰ বাৰ্ষিক দিৱসত অংশ গ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে

# সমাজৰ কল্যাণৰ বাবে মানুহে ত্যাগ আৰু উৎসৰ্গিত মনোভাৱেৰে কাম কৰিব লাগিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৯ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি চিন্ময়া মিশ্যন গুৱাহাটীৰ বাৰ্ষিক দিৱসত অংশ গ্ৰহণ কৰি কয় যে সমাজৰ কল্যাণৰ বাবে মানুহে ত্যাগ আৰু উৎসৰ্গিত মনোভাৱেৰে কাম কৰিব লাগিব। মান সম্পন্ন জীৱন ধাৰণৰ বাবে আধ্যাত্মিক জীৱন বোধৰ মাধ্যমেৰে জীৱনৰ সৌন্দৰ্য আৱিষ্কাৰ কৰিব লাগিব। চিন্ময়া মিশ্যনে কেৱল ভাৰতবৰ্ষতে নহয় সমগ্ৰ বিশ্ব মানৱক আধ্যাত্মিক দিশেৰে আগুৱাই নিয়াৰ বাবে প্ৰয়াস চলাই আহিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে জীৱনৰ মূল্যবোধ বুজি উঠি মনৰ পৰা কুভাৱ আৰু কুসংস্কাৰ আঁতৰোৱাৰ বাবে প্ৰয়াস কৰিব লাগিব। মুখ্যমন্ত্ৰীয়ে কয় যে সৃষ্টিকৰ্তাই মানুহক সকলো দিছে। মানৱ জাতিয়ে অন্তনিৰ্হিত শক্তি আৱিষ্কাৰ কৰিবলৈ আধ্যাত্মিক জ্ঞানৰ সহায় ল'ব লাগিব। মানুহে জীৱন যাত্ৰাৰ পথ মানৱীয় মূল্যবোধেৰে আগুৱাই নিব লাগিব বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অসমে সমন্বয় আৰু ভাতৃত্ববোধৰ পৰিৱেশ নিৰ্মাণৰ বাবে কাম কৰি আহিছে। চিন্ময়া মিশ্যনে গুৱাহাটীত স্থাপন কৰিব বিচৰা শিক্ষা প্ৰতিষ্ঠানৰ বাবে ভূমি প্ৰদানৰ বিষয়টো ৰাজ্য চৰকাৰে ইতিবাচক দৃষ্টিভংগীৰে গ্ৰহণ কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

চিন্ময়া মিশ্যন গুৱাহাটীৰ সভাপতি অমিত জৈনে আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত চিন্ময়া মিশ্যন চেন্নাইৰ তত্বাৱধায়ক স্বামী মিত্ৰনন্দজীয়ে ভাষণ প্ৰদান কৰি চিন্ময়া মিশ্যনে গ্ৰহণ কৰি অহা পদক্ষেপৰ বিষয়ে আলোকপাত কৰে। আজিৰ এই অনুষ্ঠানত চিন্ময়া মিশ্যন গুৱাহাটীৰ আধ্যাত্মিক বিষয়ৰ মুৰব্বী অনন্যা চৈতন্য, সচিব মনোৰঞ্জন ৰথ প্ৰমুখ্যে অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**পুঃডেঃ**
**২৯/১২/২০২০**